জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৮৫/২০২২**

# শিলচৰত দ্বিতীয়বাৰৰ বাবে উপস্থিতিত হৈ নগৰখনৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## নগৰখনৰ প্ৰতিটো ৱাৰ্ডতে একোটা চিকিৎসা শিৰিৰ অনুষ্ঠিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৬ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুদিনৰ ব্যৱধানত আজি দ্বিতীয়বাৰৰ বাবে শিলচৰত উপস্থিত হৈ সাম্প্ৰতিক বান পৰিস্থিতিৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বানপীড়িতৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে নগৰখনৰ মালিনীবিল, প্লাৰিক স্কুল ৰোড, ৰাধামাধৱ ৰোড, কনকপুৰ, ৰংগীৰখাৰী, সোনাই ৰোড, ৰাষ্ট্ৰীয় ঘাইপথ আৰু তাৰাপুৰৰ বিভিন্ন এলেকা নাৱেৰে আৰু বাঢ়নী পানীৰ মাজেৰে খোজকাঢ়ি গৈ বানাক্ৰান্তৰ অৱস্থাৰ বুজ লয়। উল্লেখ্য যে যোৱা ২৩ জুন তাৰিখৰ পিছত বান প্ৰভাৱিত শিলচৰত ড° শৰ্মাই আজি দ্বিতীয়বাৰৰ বাবে উপস্থিত হৈ বানপৰিস্থিতিৰ বুজ লয়।

ইয়াৰ পিছতে উপায়ুক্ত কাৰ্যালয় সভাকক্ষত এখন বান পৰ্যালোচনা সভাত মুখ্যমন্ত্ৰীয়ে অংশ লয়। জিলা প্ৰশাসনে লোৱা শেহতীয়া ব্যৱস্থাৰাজিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বনাক্ৰান্ত লোকসকলৰ বিশেষকৈ বয়সস্থ আৰু ৰোগীয়া লোকসকলৰ চিকিৎসাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি স্বাস্থ্য বিভাগক এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে শীঘ্ৰে ১৫ ৰ পৰা ২০ গৰাকী চিকিৎসক ৰাজ্যৰ আন প্ৰান্তৰ পৰা শিলচৰলৈ প্ৰেৰণ কৰা হ'ব। নগৰখনৰ প্ৰতিটো ৱাৰ্ডতে একোটাকৈ চিকিৎসা শিৰিৰ অনুষ্ঠিত কৰিবলৈও নিৰ্দেশ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বানাক্ৰান্ত ৰাইজৰ সহায় হোৱাকৈ অতি কমেও পৰৱৰ্তী ৭ দিনলৈ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ যিকোনো জৰুৰী অৱস্থাৰ মোকাবিলা কৰিব পৰা ঔষধ সমূহ বিভিন্ন ঠাইত ঘৰে ঘৰে গৈ যোগান ধৰিবলৈও নিৰ্দেশ দিয়ে। বানাক্ৰান্ত লোকসকলে যাতে খাদ্য সামগ্ৰীৰ অভাৱত ভুগিবলগীয়া নহয় তাৰ বাবে ঘৰে ঘৰে গৈ সাহায্য সামগ্ৰী বিতৰণ কৰিবলৈও জিলা প্ৰশাসনৰ বিষয়ববীয়া মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আনহাতে যিবোৰ ঠাইত পানী শুকাইছে বা বানপানীৰ পৰিমাণ কমি আহিছে তেনে ঠাইত পৰ্যায়ক্ৰমে বিদ্যুৎ যোগান নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অসম শক্তি বিতৰণ কোম্পানীক নিৰ্দেশ দিয়ে। বানত আবদ্ধ হৈ থকা লোকসকলৰ উদ্ধাৰৰ ক্ষেত্ৰত এনডিআৰএফ আৰু এছডিআৰএফক তেওঁলোকৰ প্ৰচেষ্টা নিষ্ঠাৰে অব্যাহত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীৰ পৰা শিলচৰলৈ ১ হাজাৰ লিটাৰ কেৰাচিন, পৰ্যাপ্ত পৰিমাণৰ শাক-পাচলি আৰু পশুধনৰ বাবে প্ৰয়োজনীয় ঔষধপাতি প্ৰেৰণৰ বাবে ব্যৱস্থা লৈ থকা হৈছে। তেওঁ লগতে জিলা প্ৰশাসনৰ হাতত মজুত থকা নাৱেৰে প্ৰতিবাৰ বান প্ৰভাৱিত অঞ্চললৈ যাওতে বনাক্ৰান্তক এটা

জুইশলা বাকচ, মম, শিশু খাদ্য আৰু অন্যান্য সামগ্ৰী সম্বলিত টোপোলা যোগান ধৰিবৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীৰ বান পৰিস্থিতি পৰ্যবেক্ষণৰ সময়ত তথা পৰ্যালোচনা বৈঠকত অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰৰ সাংসদ ডাঃ ৰাজদীপ ৰয়, বিধায়কদ্বয় ক্ৰমে দ্বিপায়ন চক্ৰৱৰ্তী আৰু কৌশিক ৰয় আৰু জিলা প্ৰশাসন উচ্চপদস্থ বিষয়ববীয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৬/০৬/২০২২**